**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-02-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN
**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::**

১। বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজস্ব শিকন পদ্ধতিৰ ওপৰত আস্থা ৰাখি পৰীক্ষাৰ প্ৰস্তুতি চলাবলৈ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিছে।

৩। মালয়েছিয়াৰ সৈতে বিভিন্ন খণ্ডত দ্বিপাক্ষিক মিত্ৰতা শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী কাইলৈ দেশখনলৈ যাব।

৪। অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৭০টা ৰে'ল ষ্টেচনৰ পুনৰনিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

*আৰু*

৫। ১৯ বছৰ অনুৰ্দ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়। প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আৰু ডি এম কেৰ সাংসদসকলে চৰকাৰবিৰোধী শ্লোগান দিয়ে। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা বিষয়াগৰাকীয়ে সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াত সহযোগ কৰিবলৈ সাংসদসকলক আহ্বান জনাই তেওঁলোকক নিজৰ নিজৰ আসনলৈ উভতি যাবলৈ অনুৰোধ কৰে। বিৰোধী পক্ষৰ হুলস্থূলীয়া পৰিবেশৰ মাজতে মন্ত্ৰীসকলে সংশ্লিষ্ট মন্ত্ৰালয়ৰ কাম-কাজসমূহ আগবঢ়াবলৈ প্ৰয়াস কৰে। অধ্যক্ষগৰাকীৰ বাৰম্বাৰ অনুৰোধৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়। ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ বিষয়ে আজি সদনত আলোচনা কৰাৰ কথা আছিল যদিও বিষয়টো উত্থাপন কৰিব পৰা নগ'ল।

ইয়াৰ পূৰ্বে প্ৰথম বাৰৰ বাবে সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আৰম্ভ কৰাৰ প্ৰয়াস কৰে যদিও বিৰোধী পক্ষই শ্লোগান দিবলৈ আৰম্ভ কৰে। বিৰোধী পক্ষৰ সদস্যসকলৰ আচৰণ সন্দৰ্ভত অধ্যক্ষগৰাকীয়ে উদ্বীগ্নতা প্ৰকাশ কৰি তেওঁলোকক সভাৰ কাম-কাজ অব্যাহত ৰখাত সহযোগ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে লোকসভাৰ কাম-কাজত ব্যাঘাত জন্মোৱাৰ পৰিপ্ৰেক্ষিতত ১৯ ঘণ্টাতকৈও অধিক সময় অপচয় হৈছে। তেওঁ বিৰোধী পক্ষই ইচ্ছাকৃতভাৱে সভাৰ কাম-কাজত ব্যাঘাত জন্মোৱা বুলি মত প্ৰকাশ কৰে। অধ্যক্ষগৰাকীয়ে লোকসভাৰ নিয়ম-শৃংখলা তথা মৰ্যদা বজাই ৰাখিবলৈ সদস্যসকললৈ আহ্বান জনাই কয় যে প্ৰশ্ন কালত আন সদস্যসকলেও মত প্ৰকাশ কৰাৰ সুযোগ পোৱা

উচিত। দেশৰ জনসাধাৰণে লোকসভাত অৰ্থপূৰ্ণ আলোচনাৰ কাৰণেহে সদস্যসকলক নিৰ্বাচিত কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে বিৰোধী পক্ষৰ সদস্যসকলে প্লে কাৰ্ড প্ৰদৰ্শন কৰাৰ লগতে বিভিন্ন শ্লোগানেৰে সভাৰ কাম-কাজত ব্যাঘাত জন্মায়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰে। এইবাৰৰ সংস্কৰণত প্ৰধানমন্ত্ৰীয়ে পৰীক্ষাৰ সময়ত কিদৰে মানসিক চাপৰ পৰা মুক্ত হৈ থাকিব পাৰি সেই সন্দৰ্ভত শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ নিজস্ব শিকন পদ্ধতিৰ ওপৰত আস্থা ৰাখিবলৈ পৰামৰ্শ দি কয়, যে কোনো দুজন ব্যক্তিৰ চিন্তা-ধাৰা কেতিয়াও একে হ’ব নোৱাৰে। তেওঁ কয়, যে প্ৰতিগৰাকী শিক্ষাৰ্থীৰে পঢ়াৰ এটা নিৰ্দিষ্ট শৈলী থাকে আৰু তেওঁলোকে পৰীক্ষাৰ বাবে নিজৰ প্ৰস্তুতিৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক আৰু অভিভাৱকে দিয়া পৰামৰ্শসমূহ ভালদৰে অনুধাৱন কৰিব লাগে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলে অন্ধভাৱে আনক অনুকৰণ কৰাৰ পৰিৱৰ্তে নিজৰ অভিজ্ঞতা আৰু জ্ঞানেৰে যিকোনো পৰামৰ্শ গ্ৰহণ কৰিব লাগে বুলি উল্লেখ কৰে।

শ্ৰী মোদীয়ে শিক্ষকসকলক প্ৰতিগৰাকী শিক্ষাৰ্থীৰ শিকন ক্ষমতা সন্দৰ্ভত সংবেদনশীল হ’বলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ শিক্ষণ পদ্ধতিক কৃষিকাৰ্যৰ সৈতে তুলনা কৰি কয়, যে এজন কৃষকে যিদৰে বীজ সিঁচাৰ আগতে মাটিডৰা ভালদৰে চহাই লয়, ঠিক সেইদৰে শিক্ষকসকলেও শিক্ষাৰ্থীসকলে যাতে প্ৰতিটো বিষয় ভালদৰে শিকিব পাৰে তাৰবাবে ধৈৰ্য সহকাৰে তেওঁলোকৰ মনবোৰ গঢ়ি তোলাটো প্ৰয়োজন। শ্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ প্ৰস্তুতিৰ ক্ষেত্ৰত কেৱল নিৰ্দিষ্ট গাইডবুক, গুৰুত্বপূৰ্ণ প্ৰশ্নোত্তৰৰ কিতাপ আদিৰ ওপৰত ভৰসা কৰাৰ ক্ষেত্ৰত সচেতনতা অৱলম্বন কৰা উচিত বুলি উল্লেখ কৰে। তেওঁ কয়, যে এগৰাকী ভাল শিক্ষকে সম্পূৰ্ণ পাঠ্যক্ৰমৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কঠোৰ পৰিশ্ৰমক উৎসাহিত কৰি তেওঁলোকৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত সহায় হোৱাকৈ বিষয়সমূহ বুজি উঠাত সহায় কৰে।

ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে শৰীৰ আৰু মনৰ বিকাশৰ বিষয়টো সমানেই গুৰুত্বপূৰ্ণ। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক যোগ, প্ৰাণায়াম, পুষ্টিকৰ খাদ্য, পৰ্যাপ্ত জিৰণি আদিক তেওঁলোকৰ দৈনন্দিন ৰুটিনৰ অন্তৰ্ভুক্ত কৰি ল’বলৈ আহ্বান জনায়। তেওঁ শিক্ষাৰ্থীসকলক জীৱন কেৱল পৰীক্ষা আৰু নম্বৰতে সীমাবদ্ধ নহয় বুলি সোঁৱৰাই দিয়ে। শিক্ষা হৈছে জীৱন গঢ়ি তোলাৰ এটা মাধ্যম আৰু পৰীক্ষা হৈছে নিজকে পৰীক্ষা কৰাৰ এটা পথ বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ জীৱন অৰ্থপূৰ্ণ, ৰোমাঞ্চকৰ আৰু অভিজ্ঞতাৰে পূৰ্ণ কৰি তোলাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ জৰিয়তে পৰীক্ষাৰ সময়ৰ মানসিক চাপ সন্দৰ্ভত আলোচনা কৰাৰ লগতে পৰীক্ষাক এটা উৎসৱ তথা জীৱনৰ এটা অংশ হিচাপে উদযাপন কৰা হয়। এইবাৰৰ পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ বাবে মাই গ’ভ পৰ্টেলৰ জৰিয়তে চাৰি কোটি ৫০ লাখৰো অধিক শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকে পঞ্জীয়ন কৰিছিল বুলি শিক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

ঢাকাত থকা ভাৰতীয় উচ্চায়োগে পৰীক্ষা পে চৰ্চাৰ নৱম সংস্কৰণত শিক্ষাৰ্থীসকলৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পোনপটীয়া সম্প্ৰচাৰ কৰে। চলিত বৰ্ষৰ পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত প্ৰধানমন্ত্ৰীয়ে বৃত্তিগত

দক্ষতা আৰু জীৱন ধাৰণৰ আৱশ্যকীয় কাম-কাজসমূহৰ মাজত সুস্থ সমতা বৰ্তাই ৰখাৰ বাবে শিক্ষাৰ্থীসকলক পৰামৰ্শ দিয়াৰ লগতে সময়ৰ সফল ব্যৱস্থাপনাৰ গুৰুত্ব সন্দৰ্ভত বিভিন্ন কথা প্ৰকাশ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামুদ্ৰিক নিৰাপত্তা, বাণিজ্য, বিনিয়োগ, শক্তি আদি খণ্ডত দ্বিপাক্ষিক মিত্ৰতা শক্তিশালী কৰাৰ উদ্দেশ্যে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে মালয়েছিয়া ভ্ৰমণ কৰিব। দেশখনৰ প্ৰধানমন্ত্ৰী আনৱাৰ ইব্ৰাহিমৰ নিমন্ত্ৰণ মৰ্মে কাইলৈ তেওঁ কুৱালালামপুৰলৈ যাব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পূবৰ সচিব পি কুমাৰানে এই ভ্ৰমণ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয় যে এইবেলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰলৈ মালয়েছিয়া ভ্ৰমণ কৰিব। ২০২৪ চনৰ আগষ্টত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীৰ চৰকাৰী ভ্ৰমণৰ সময়ত উভয় দেশৰ মাজত দ্বিপাক্ষিক মিত্ৰতাক সৰ্বাত্মক কৌশলগত মিত্ৰতালৈ উন্নীত কৰাৰ ডেৰ বছৰৰ পাছত প্ৰধানমন্ত্ৰী মোদী পুনৰ মালয়েছিয়া ভ্ৰমণলৈ ওলোৱা বুলি তেওঁ প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে মালয়েছিয়াৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী কৰাৰ প্ৰতি দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হোৱা বুলিও তেওঁ  প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এই ভ্ৰমণে আছিয়ান অঞ্চলৰ সৈতে মিত্ৰতা শক্তিশালী কৰাৰ সুযোগ দিব। শ্ৰীমোদীয়ে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনৱাৰ ইব্ৰাহিমৰ সৈতেক্যিপাক্ষিক বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই ভাৰত-মালয়েছিয়া সৰ্বাত্মক কৌশলগত মিত্ৰতাৰ জৰিয়তে হোৱা অগ্ৰগতিসমূহ পৰ্যালোচনা কৰিব। এই ভ্ৰমণৰ সৈতে সংগতি ৰাখি দশম ভাৰত-মালয়েছিয়া চি ই অ' মঞ্চৰ বৈঠকো অনুষ্ঠিত হোৱাৰ কথা। শ্ৰীকুমাৰনে কয় যে মালয়েছিয়া হৈছে ভাৰতৰ তৃতীয় বৃহৎ বাণিজ্যিক মিত্ৰ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে ভাৰত চৰকাৰ,নাগালেণ্ড চৰকাৰ তথা ইষ্টাৰ্ণ নাগালেণ্ড পিপ্‌লছ অৰ্গেনাইজেচন পি এন পি অ'ৰ প্ৰতিনিধিসকলৰ মাজত স্বাক্ষৰিত চুক্তিয়ে জনসাধাৰণক সমৃদ্ধ কৰি তোলাৰ লগতে নতুন সুযোগ সৃষ্টি কৰিব। গৃহমন্ত্ৰী অমিত শ্বাহে এক্সত দিয়া এটা পোষ্ট শ্বেয়াৰ কৰি শ্ৰীমোদীয়ে কয় যে এই চুক্তিৰ জৰিয়তে পূব নাগালেণ্ডৰ বিকাশ অধিক ত্বৰান্বিত হ'ব। এই চুক্তিৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ শান্তি, প্ৰগতি তথা সৰ্বাত্মক বিকাশৰ প্ৰতি চৰকাৰৰ সংকল্প প্ৰতিফলিত হৈছে। গৃহ মন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত এই চুক্তিখনে সকলো প্ৰতিবন্ধকতা আঁতৰ কৰি সমৃদ্ধ তথা শান্তিপূৰ্ণ উত্তৰ পূৰ্বাঞ্চল গঢ়ি তোলাৰ প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগী সফল কৰি তোলাত অৰিহণা যোগাব।

০০০০

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৭০টা ৰে'ল ষ্টেচনৰ পুনৰনিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে বুলি প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰ দি শ্ৰীবৈষ্ণৱে কয় যে এই আঁচনিৰ অধীনত উন্নয়নৰ বাবে এহেজাৰ ৩০০ৰো অধিক ষ্টেচন চিনাক্ত কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰে'ল খণ্ডৰ উন্নয়নৰ প্ৰচেষ্টা অব্যাহত আছে বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয় যে চৰকাৰে যাত্ৰীৰ সুৰক্ষা আৰু সুবিধা সন্দৰ্ভত বিশেষ গুৰুত্ব দিছে।

০০০০

জিম্বাবুৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। আমালৈ বাতৰি অহাৰ পৰলৈ ভাৰতে ৯ অভাৰত ১ টা উইকেট হেৰুৱাই ৭১ ৰাণ সংগ্ৰহ কৰিছে। আৰণ জৰ্জ ৯ ৰাণ কৰি আউট হয়। বৈভৱ সূৰ্যবংশীয়ে ৪২ আৰু আয়ুষ মাহাট্ৰে ১৮ৰাণ কৰি খেলি আছে।

০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সেনাবাহিনীৰ প্ৰাক্তন মুৰব্বী জেনেৰেল এম এম নাৰাৱানেই অপ্ৰকাশিত আত্মজীৱনী সন্দৰ্ভত লোকসভাত কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে উত্থাপন কৰা বিষয়টোক তীব্ৰ গৰিহণা দিছে। তেওঁ কয় যে এন ডি এ চৰকাৰে কেতিয়াও প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু কংগ্ৰেছ দলক উদঙাই দিব পৰা প্ৰতিবেদনসমূহ প্ৰকাশ কৰা নাই। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীৰিজিজুৱে কয় যে প্ৰতিৰক্ষা তথা নিৰাপত্তা সম্পৰ্কীয় স্পৰ্শকাতৰ বিষয়সমূহ কেতিয়াও ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ কৰা উচিত নহয়। মোদী নেতৃত্বাধীন চৰকাৰক পৰিপক্ক নেতৃত্বৰ চৰকাৰ আখ্যা দি তেওঁ কয় যে ১৯৬২ চনৰ পৰা আজিও হেণ্ডাৰছন ব্ৰুক্‌ছ - ভগত আয়োগৰ প্ৰতিবেদনক অতি গোপনীয় প্ৰতিবেদন হিচাপে ৰখা হৈছে। এই প্ৰতিবেদনত চীনৰ সামৰিক বাহিনীৰ হাতত নেহৰু চৰকাৰৰ অপমানজনক পৰাজয়ৰ বিশদ বৰ্ণনা আছে বুলি তেওঁ প্ৰকাশ কৰে। এই প্ৰতিবেদনখন লেফটেনেণ্ট জেনেৰেল হেণ্ডাৰছন ব্ৰুক্‌ছ আৰু ব্ৰিগেডিয়াৰ জেনেৰেল প্ৰেমিন্দ্ৰা সিং ভগতে প্ৰস্তুত কৰিছিল। ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ সময়ত ভাৰতীয় সেনাবাহিনীৰ কাম-কাজ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ